Fullerton India
Rishta Sammaan Ka

# একৰকালীন ঋণ পুনৰ্গঠন যোজনা সঘনাই সোধা প্ৰশ্ন সমূহ

## 1. আৰবিআইৰ দ্বাৰা অনুমোদিত লোন ৰিষ্ট্ৰাক্সাৰিং স্কীম (ঋণ পুনৰ্গঠন যোজনা) কি? এই সমাধান গাঁঠনি (ফ্ৰেমৱৰ্ক)ৰ উদ্দেশ্য কি?

কোভিড-19 মহামাৰী আৰু অৰ্থনৈতিক পৰিণতিৰ ফলস্বৰূপে, ই দেশৰ লাখ লাখ ঋণগ্ৰহীতাক লৈ আহিছে, আৰবিআইয়ে বেংক আৰু অন্য ঋণ প্ৰদানকাৰী সংস্থাসমূহক সমাধান পৰিকল্পনা বাস্তৱায়িত কৰিবৰ বাবে এক গাঁঠনি(ফ্ৰেমৱৰ্ক)প্ৰদান কৰিছে ।এই গাঁঠনি(ফ্ৰেমৱৰ্ক)ৰ উদ্দেশ্য হৈছে, কোভিড-19 মহামাৰীৰ ফলত অৰ্থনৈতিকভাৱে প্ৰভাৱিত ঋণগ্ৰহীতা সকলক সকাহ দিয়া ।

এই গাঁঠনি(ফ্ৰেমৱৰ্ক)আৰু ইয়াৰ নিয়ন্ত্ৰক নিৰ্দেশাৱলী সমূহৰ ওপৰত ভিত্তি কৰি, ফুলাৰট'ন ইণ্ডিয়াই কোভিড-19 মহামাৰীৰ দ্বাৰা প্ৰভাৱিত ব্যক্তি আৰু সংস্থাক দ্বাৰা গ্ৰহণ কৰা ইয়াৰ ঋণৰ পুনৰ্গঠনৰ বাবে নীতিৰ গাঁঠনি (ফ্ৰেমৱৰ্ক)তৈয়াৰ কৰিছে ।

## 2. ঋণ পুনৰ্গঠনৰ বাবে কোন যোগ্য ?

ঋণ পুনৰ্গঠনৰ বাবে মুখ্য যোগ্যতাৰ বৈশিষ্ট ইয়াত উল্লেখ কৰা হ'ল

1. আবেদনকাৰী মাৰ্চ 01, 2020ত মাহেকীয়া ইএমআই / সুদ পৰিশোধৰ বাকায়া 30 দনৰ অধিক যাতে নহয় । বেংক আৰু NBFCৰ পৰা 25 কোটি টকাৰ তলত ঋণ লোৱা MSME ঋণগ্ৰহীতাৰ বাবে এই সময়চোৱা 89 দিন হব ।

2. আবেদনকাৰী কোভিড-19 মহামাৰীৰ দ্বাৰা আয়ৰ ক্ষতি বা কৰ্তন /নগদ প্ৰবাহত অৰ্থনৈতিকভাৱে প্ৰভাৱিত ব্যক্তি হ'ব লাগিব ।

**অনুগ্ৰহ কৰি টোকা কৰিব যে:**

1. আবেদনকাৰীৰ আয় কৰ্তন আৰু ইয়াৰ অৰ্থনৈতিক প্ৰভাৱৰ বিষয়ে, ঋণগ্ৰহীতাৰ দ্বাৰা প্ৰদান কৰা তথ্যৰ লগতে সমৰ্থনকাৰী নথিপত্ৰ ফুলাৰট'ন ইণ্ডিয়াৰ দ্বাৰা পৰ্যালোচনা কৰা হ'ব ।

2. ফুলাৰট'ন ইণ্ডিয়াই তেতিয়া সমাধান পৰিকল্পনা অনুমোদিত কৰাৰ আগতে হোৱা আলোচনা আৰু মূল্যায়নৰ ওপৰত ভিত্তি কৰি সন্মতি প্ৰদান কৰা সংশোধিত মাহেকীয়া ইএমআই / সুদ আবেদনকাৰীয়ে পুনৰায় পৰিশোধ কৰাৰ যোগ্যতা আছে নে নাই সেয়া মূল্যায়ন কৰিব ।

3. ফুলাৰট'ন ইণ্ডিয়াই ইয়াৰোপৰিও আবেদনকাৰীৰ পুনঃপৰিশোধৰ ইতিহাস, আৰু মাৰ্চ–আগষ্ট 2020 ৰ মাজত গ্ৰহণ কৰা আৰবিআইৰ ঋণ পৰিশোধ সাময়িকভাৱে স্থগিতাদেশৰ সময়ত দিয়া প্ৰতিক্ৰিয়া বিবেচনা কৰিব ।

## 3. মই ঋণ পুনৰ্গঠন নিৰ্বাচন কৰা উচিত নে ?

যদি আপুনি আপোনাৰ মাহেকীয়া ইএমআই সমূহ আয়ৰ নতুন উৎস বিচাৰি উলিওৱাৰ দ্বাৰা অথবা

আপোনাৰ ব্যয় ব্যৱস্থাপনা কৰাৰ দ্বাৰা পৰিশোধ কৰিব পাৰে, আমি আপোনাক সেয়া কৰিবলৈ আৰু অদৰকাৰীভাবে যোজনা নিৰ্বাচন নকৰিবলৈ দৃঢ়ভাবে পৰামৰ্শ কৰিম ।

এইটো এইবাবেই, কিয়নো ঋণ পুনৰ্গঠনৰ নিম্ন উল্লেখিত প্ৰভাব সমূহ আছে:

1. এক অতিৰিক্ত ঋণ পুনৰ্গঠন শুল্ক প্ৰযোজ্য হ'ব পাৰে, আপোনাৰ খৰচ/মূল্য যোগ কৰি
2. পৰিশোধনীয় মুঠ/সম্পূৰ্ণ সুদ বৃদ্ধি, যাৰ ফলত আপোনাৰ ঋণ অধিক ব্যয়বহুল কৰি তুলিব

**4. ঋণ পুনৰ্গঠন পৰিকল্পনাই মোৰ ঋণ কেনেদৰে প্ৰভাবিত কৰিব ?**

যদি আপোনাৰ ঋণ পুনৰ্গঠনৰ অনুৰোধ গ্ৰহণ কৰা হয়, নিম্ন উল্লেখিত যিকোনো এটা বা ততোধিক হ'ব পাৰে:

a. আপোনাৰ মাহেকীয়া ইএমআই হ্ৰাস হ'ব পাৰে, ইয়াৰ ফলত মাহেকীয়া ঋণ পুনঃপৰিশোধ দায়বদ্ধতা হ্ৰাস হ'ব পাৰে ।

b. আপোনাৰ সামগ্ৰিকভাবে সময়সীমা বৃদ্ধি হ'ব,যি সময়ত আপোনাৰ বাকেয়া ঋণ পৰিশোধ কৰিব পৰা যাব । তথাপিও, অনুগ্ৰহ কৰি মনত ৰাখিব যে, ঋণৰ অবসৰকালীন মেয়াদ বৃদ্ধি কৰা বা ঋণ পৰিশোধ স্থগিতকৰন/মৰেটোৰিয়ামৰ সৈতে বা অবিহনে সময়সীমা দুবছৰৰ অধিক হ'ব নোৱাৰিব ।

c. ঋণৰ সময়সীমাৰ ওপৰত পৰিশোধনীয় আপোনাৰ মুঠ সুদ বৃদ্ধি হ'ব ।

KYONKI DIL AAPKI
NAHI SUNTA,
HUM AAPKI SUNTE HAIN.
#RishtaSammaanKa

**5. মোৰ ঋণ পুনৰ্গঠন স্বয়ংক্ৰিয়ভাবে হ'ব নেকি যদি মই মোৰ ইএমআই পৰিশোধ নকৰো?**

নহয় । যদি আপনি এই পৰিকল্পনাৰ বাবে আবেদন নকৰে, অথবা যদি আপোনাৰ আবেদন পত্ৰ প্ৰত্যাখান কৰা হয়, আপুনি সময়সূচী অনুসৰি আপোনাৰ ইএমআই সমূহ পৰিশোধ কৰাতো বাঞ্ছনীয় । যিকোনো প্ৰকাৰৰ বিলম্বতা বা তেনে কৰিবলৈ ব্যৰ্থ হ'লে, ইয়াক বিলম্ব /নিয়ম উলঙ্ঘন হিচাপে বিবেচনা কৰা হ'ব আৰু পেনাল্টি / বাউন্স শুল্ক আকৰ্ষণ কৰিব ।

**6. এই সময়ত মোৰ আয়ত প্ৰভাব পৰা নাই, কিন্তু ভৱিষ্যতে হ'ব পাৰে ।মই ঋণ পুনৰ্গঠনৰ বাবে আবেদন কৰিব পাৰো নে ?**

আপুনি ঋণ পুনৰ্গঠনৰ বাবে আবেদন কৰিব পাৰে । তথাপিও, ওপৰোক্ত নিৰ্ণায়কৰ লগতে অন্যান্য কাৰক সমূহ যেনে ক্ৰেডিট যোগ্যতা ইত্যাদিৰ ওপৰত ভিত্তি কৰি, আমি আপোনাৰ আবেদন পত্ৰ মূল্যায়ন কৰিম আৰু তাৰপিছত, আপোনাক জনাম যে আপোনাৰ ঋণ পুনৰ্গঠন অনুৰোধ ফুলাৰটন ইণ্ডিয়াৰ পলিচিৰ প্ৰয়োজনীয়তা পৰিপূৰ্ণ কৰিছে নে নাই ।

**7. ঋণ পুনৰ্গঠনৰ বাবে ফুলাৰটন ইণ্ডিয়াৰ কোনবোৰ উৎপাদকে যোগ্যতা অৰ্জন কৰিছে?**

ফুলাৰটন ইণ্ডিয়াৰ নিম্ন উল্লেখিত সেৱা /উৎপাদক সমূহ এই যোজনাৰ বাবে যোগ্য :

1. অংশীদাৰীপত্ৰৰ বিপৰীতে ঋণ
2. সম্পত্তিৰ বিপৰীতে ঋণ

3. ব্যক্তিগত ঋণ

4. দুচকীয়া বাহন ঋণ

5. ব্যৱসায়িক বাহন ঋণ

6. ব্যৱসায় ঋণ

7. MSME ঋণ/সুৰক্ষিত ব্যৱসায় ঋণ

8. গৃহ ঋণ

*এই যোজনাৰ বাবে আৰবিআইৰ দ্বাৰা প্ৰদান কৰা গাঁথনি আৰু নিৰ্দশাৱলী অনুসৰি সেৱা /উৎপাদক সমূহ পুনৰ্গঠনৰ বাবে বিবেচনা কৰা হ'ব ।

## 8. ঋণ পুনৰ্গঠন যোজনাৰ বাবে কেনেকৈ আবেদন কৰিব লাগিব?

ঋণ পুনৰ্গঠন যোজনাৰ বাবে আবেদন কৰিবলৈ, অনুগ্ৰহ কৰি নিম্ন উল্লেখিত পৰ্যায় সমূহ অনুসৰণ কৰক:

1. পৃষ্ঠাৰ ওপৰৰ ফলে থকা “আমাক যোগাযোগ কৰক” শাখাত নিৰ্বাচন/ক্লিক কৰক

2. “ইতিমধ্যে থকা গ্ৰাহক” নিৰ্বাচন কৰক আৰু আপোনাৰ সৱিশেষ যেনে ঋণ ধাৰক নম্বৰ/LAN আইডি, মোবাইল নম্বৰ ইত্যাদি

3. ‘প্ৰশ্নৰ প্ৰকৃতি /অনুৰোধ /অভিযোগ’ ড্ৰপডাউনৰ পৰা “এবাৰ ঋণ পুনৰ্গঠন” বিকল্প নিৰ্বাচন কৰক

4. ইয়াৰ পিছত, ‘অধিক সৱিশেষ’ ড্ৰপডাউনৰ পৰা “এবাৰ ঋণ পুনৰ্গঠন” বিকল্প নিৰ্বাচন কৰক

5. ইয়াৰ পিছত, আপোনাক কিছুমান তথ্যৰ বিষয়ে সুধিব যেনে আপোনাৰ নিয়োগৰ প্ৰকৃতি, মহামাৰীৰ বাবে আপুনি সন্মুখীন হোৱা (সন্মুখীন হ'ব পৰা) অৰ্থনৈতিক প্ৰভাব, আৰু বহুতো

6. অনুগ্ৰহ কৰি ওপৰোক্ত তথ্য সমূহ সাৱধানতাৰে ভৰ্তি কৰক আৰু যথা সম্ভৱ সঠিকতাৰে । আপুনি প্ৰদান কৰা তথ্যসমূহৰ ওপৰত ভিত্তি কৰি আপোনাৰ অনুৰোধ পৰৱৰ্তী প্ৰক্ৰিয়াকৰণৰ বাবে মূল্যায়ন কৰা হ'ব

7. এবাৰ আপুনি সকলো প্ৰয়োজনীয় সৱিশেষ ভৰ্তি আৰু প্ৰমাণীকৰণ কৰাৰ পিছত, ‘দাখিল'ত নিৰ্বাচন/ক্লিক কৰক

8. যদি পলিচি অনুসৰি আপোনাৰ আবেদন পত্ৰ যোগ্য বলি বিবেচনা কৰা হয়, আপুনি আমাৰ প্ৰতিনিধিৰ পৰা পৰৱৰ্তী পৰ্য্যায়ৰ বাবে এক যোগাযোগ প্ৰাপ্ত কৰিব অনুগ্ৰহ কৰি মনত ৰাখিব যে

প্ৰয়োজনীয় নথিপত্ৰ দাখিল কৰাৰ পিছত আৰু ফুলাৰট'ন ইণ্ডিয়াৰ দ্বাৰা সেইবোৰৰ পৰৱৰ্তী প্ৰমাণীকৰণ হোৱাৰ পিছত অন্তিম যোগ্যতা নিৰ্ণয় কৰ হ'ব

### 9. ঋণ পুনৰ্গঠনৰ বাবে কি নথিপত্ৰৰ প্ৰয়োজন ?

ঋণ পুনৰ্গঠনৰ বাবে প্ৰয়োজনীয় নথিপত্ৰৰ তালিকা ইয়াত উল্লেখ কৰা হ'ল:

বেতনযুক্ত ঋণগ্ৰহীতা সকলৰ বাবে:

1. শেষৰ 6 মাহৰ পৰা বেতন স্লিপ আৰু বেংকৰ বিবৃতি
2. সহ-আবেনকাৰীৰ ক্ষেত্ৰত, সকলো পক্ষৰ নথিপত্ৰৰ প্ৰয়োজন হ'ব
3. শেষৰ 6 মাহৰ পৰা বেংকৰ বিবৃতি

স্ব-নিয়োজিত ঋণগ্ৰহীতা /সংস্থা সমূহৰ বাবে:

1. শেষৰ 12 মাহৰ পৰা বেংকৰ বিবৃতি
2. জিএচটি ৰিটাৰ্ণ
3. আয়কৰ ৰিটাৰ্ণ
4. উদ্যম প্ৰমাণপত্ৰ
5. বহুতো আবেদনকাৰী/সংস্থাৰ ক্ষেত্ৰত, সকলো জড়িত পক্ষৰ নথিপত্ৰৰ প্ৰয়োজন হ'ব

সুৰক্ষিত ঋণৰ ক্ষেত্ৰত, পুনৰ্গঠনৰ সময়ত থকা ঋণ ৰাশিৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি, যদি কোনো অতিৰিক্ত বন্ধক /কোলেটাৰেল প্ৰয়োজন হয়, তেনেহ'লে ইয়াৰ সম্বন্ধীয় দলিল প্ৰদৰ্শনৰ বাবেও অনুৰোধ কৰিব পাৰে ।

অনুগ্ৰহ কৰি মনত ৰাখিব যে এই তালিকা হৈছে সূচক, আৰু অন্যান্য বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰ কৰি, অতিৰিক্ত দলিল প্ৰদৰ্শনৰ বাবে অনুৰোধ কৰিব পাৰে ।

### 10. মোৰ ক্ৰডিট ইতিহাসত ঋণ পুনৰ্গঠনৰ কি ধৰণৰ প্ৰভাব পৰিব?

নিয়ন্ত্ৰিত নিৰ্দেশাৱলী অনুসৰি, আপোনাৰ ঋণ / ক্ৰেডিট সুবিধা ক্ৰেডিট ব্যুৰোত “ৰিষ্ট্ৰাক্সাৰড়”(“পুনৰ্গঠন”) হিচাপে ৰিপোৰ্ট কৰা হ'ব ।

### 11. মোৰ ফুলাৰট'ন ইণ্ডিয়াৰ সৈতে কেইবাটও ঋণ আছে ।মই মাত্ৰ এবাৰেই ঋণ পুনৰ্গঠনৰ বাবে আবেদন কৰিব লাগিব নে মই প্ৰতিটো ঋণৰ বাবে পৃথকভাবে আবেদন কৰিব লাগিব ?

যদি আপোনাৰ কেইবাটাও ঋণ আছে, আপুনি পুনৰ্গঠন কৰিব বিচৰা প্ৰতিটো ঋণ পৃথকভাবে অনুৰোধ কৰিব লাগিব ।

### 12. মই স্ব-নিয়োজিত / নিজৰ সৰু উদ্যোগ থকা এক MSME সংস্থা । মই ঋণ পুনৰ্গঠনৰ বাবে যোগ্য হয় নে ?

ভাৰত চৰকাৰ অনুসৰি, তলৰ তালিকাত MSME সংস্থাৰ সংশোধিত সংজ্ঞা উল্লেখ কৰা হ'ল

| বৰ্গীকৰণ | মিশ্ৰিত নিৰ্ণায়ক | সূক্ষ্ম/মাইক্ৰো | সৰু | মধ্যম |
|---|---|---|---|---|
| সূক্ষ্ম/মাইক্ৰো, সৰু/স্মল এণ্ড মধ্যম/মিডিয়াম সংস্থা/এন্টাৰপ্ৰাইজ | কাৰখানা/প্লান্ট আৰু যন্ত্ৰপাতি বা সৰঞ্জাম অধিক হ'ব নোৱাৰিব | 1 কোটি টকা | 10 কোটি টকা | 50 কোটি টকা |
| | বাৰ্ষিক টাৰ্নঅভাৰ অধিক হ'ব নোৱাৰিব | 5 কোটি টকা | 50 কোটি টকা | 250 কোটি টকা |

ভাৰত চৰকাৰৰ দ্বাৰা ঘোষনা কৰা সংশোধিত MSME শ্ৰেণীৰ অধীনত থকা স্ব-নিয়োজিত ব্যক্তি / সংস্থা সমূহে MSME পুনৰ্গঠন যোজনাৰ অধীনত সকাহৰ বাবে আবেদন কৰিব পাৰে, যদি বেংক আৰু NBFCৰ ফাণ্ডযুক্ত নোহোৱা সুবিধাৰ অন্তৰ্ভূক্তিৰে 1 মাৰ্চ 2020ত মুঠ প্ৰদৰ্শন 25 কোটি টকাৰ সীমা অতিক্ৰম নকৰে । অধিক সবিশেষৰ বাবে অনুগ্ৰহ কৰি আপোনাৰ নিকটবৰ্তী ফুলাৰট'ন ইণ্ডিয়াৰ শাখা অথবা আপোনাৰ সম্বন্ধ প্ৰবন্ধকক যোগাযোগ কৰক ।

ফুলাৰট'ন ইণ্ডিয়াই আমাৰ স্ব-নিয়োজিত গ্ৰাহক সকলক চৰকাৰৰ উদ্যম পোৰ্টেলৰ যোগেদি তেওঁলোকক নিজকে MSME হিচাপে পঞ্জীকৃত কৰিবলৈও পৰামৰ্শ আগবঢ়ায় ।

### 13. মই মাৰ্চ –আগষ্ট, 2020ৰ মাজত ঋণ সাময়িকভাবে স্থগিতাকৰণ আদেশ গ্ৰহণ কৰা নাই । মই ঋণ পুনৰ্গঠন যোজনাৰ বাবে এতিয়া আবেদন কৰিব পাৰিম নে?

আপুনি ঋণ পুনৰ্গঠনৰ বাবে আবেদন কৰিব পাৰে । তথাপিও, ওপৰত উল্লেখিত নিৰ্ণায়কৰ লগতে অন্য কাৰক সমূহ যেনে ক্ৰেডিট যোগ্যতা ইত্যাদিৰ ওপৰত ভিত্তি কৰি আমি আপোনাৰ আবেদন পত্ৰ মূল্যায়ন কৰিম আৰু তাৰপিছত, আপোনাক জনাম যে আপোনাৰ ঋণ পুনৰ্গঠন অনুৰোধ পৰৱৰ্তী প্ৰক্ৰিয়কৰণ কৰিব পাৰি নে নোৱাৰি ।

### 14. মোৰ ঋণ এক সহ-ঋণগ্ৰহীতা / সহ-ঋণগ্ৰহীতা সকলৰ সতে গ্ৰহণ কৰা হৈছিল । প্ৰকৃত ঋণ চুক্তিত থকা সকলো সহ-ঋণগ্ৰহীতাই সংশোধিত ঋণ পুনৰ্গঠন হস্তাক্ষৰ কৰা প্ৰয়োজন হ'ব নেকি ?

নিয়ন্ত্ৰণ আৰু আইনগত প্ৰয়োজন অনুসৰি, প্ৰকৃত ঋণ চুক্তিত থকা সকলো ঋণগ্ৰহীতা / সহ-ঋণগ্ৰহীতাই ঋণ পুনৰ্গঠন চুক্তিৰ অন্তৰ্ভূক্তিৰে ঋণ গঠনৰ যিকোনো পৰিবৰ্তনত সন্মতি প্ৰদান আৰু হস্তাক্ষৰ কৰা প্ৰয়োজনীয় ।

### 15. কি প্ৰকাৰৰ ঋণ পুনৰ্গঠনৰ বাবে যোগ্য নহয় ?

নিম্ন উল্লেখিত ঋণৰ প্ৰকাৰ সমূহ পুনৰ্গঠনৰ বাবে যোগ্য নহয়:

Fullerton India
Rishta Sammaan Ka

1. কৃষিগত উদ্দেশ্যৰ বাবে ব্যক্তি / সংস্থাক প্ৰদান কৰা আৰু ফুলাৰট'নৰ দ্বাৰা কৃষিগত ঋণ হিচাপে শ্ৰেণীভূক্ত কৰা ঋণ

2. কৃষিগত ক্ৰেডিট সমিতি সমূহ, অৰ্থনৈতিক সেৱা প্ৰদানকাৰী, কেন্দ্ৰীয়, ৰাজ্যিক আৰু স্থানীয় চৰকাৰী সংস্থা, ফুলাৰট'ন ইণ্ডিয়াৰ কৰ্মচাৰী

3. হাউচিং ফায়নেন্স কোম্পানী সমূহ য'ত একাউন্ট মাৰ্চ 1, 2020 ৰ পিছত পুনঃনিৰ্ধাৰণ কৰা হৈছে

4. ওপৰত উল্লেখিত দফাত বাখ্যা কৰা MSME নিৰ্দেশাৱলীৰ অধীনত বাণিজ্যিক ব্যৱহাৰৰ বাবে প্ৰদান কৰা ঋণ দাবি অব্যাহতিৰ বাবে স্বত্বপ্ৰাপ্ত

**16. ঋণ পুনৰ্গঠন যোজনাৰ বাবে আবেদন কৰাৰ অন্তিম তাৰিখ কি ?**

যদি আপুনি ঋণ পুনৰ্গঠনৰ বাবে আবেদন কৰিব বিচাৰে, আপোনাক এয়া অনতিপলমে কৰবলৈ অনুৰোধ জনোৱা হ'ল, কিয়নো কোভিড-19 মহামাৰীৰ প্ৰত্যক্ষ পৰিণতি স্বৰূপে আপুনি মুখামুখি হ'ব পৰা অৰ্থনৈতিক ক্ষতিৰ মাত্ৰাৰ ওপৰত আপোনাৰ যোগ্যতা প্ৰায় নিৰ্ভৰ কৰিব ।ফুলাৰট'ন ইণ্ডিয়াই ওপৰত উল্লেখ কৰা নিৰ্ণায়কৰ লগতে আবেদন কৰাৰ সময়ত এই যোজনা সম্বন্ধীয় আমাৰ পলিচিৰ ওপৰত ভিত্তি কৰি আপোনাৰ অনুৰোধ মূল্যায়ন কৰিব ।

**17. কোনো ধৰণৰ প্ৰক্ৰিয়কৰণ মাচুল বা শুল্ক লাগিব নেকি, যদি মই মোৰ ঋণ পুনৰ্গঠন কৰো ?**

ফুলাৰট'ন ইণ্ডিয়াই এক মাচুল ধাৰ্য্য কৰিব পাৰে যদি আপুনি ঋণ পুনৰ্গঠন কৰাতো নিৰ্বাচন কৰে ।

**18. যদি মই ঋণ পুনৰ্গঠনৰ বাবে আবেদন কৰো, মই তথাপিও কোনো মাহেকীয়া ইএমআই পৰিশধ কৰিব লাগিব নেকি ?**

যদিও আপুনি ঋণ পুনৰ্গঠনৰ আবেদন দাখিল কৰে, যেতিয়ালৈকে এয়া গ্ৰহণযোগ্য নহয়, আপুনি বৰ্তমান সূচী অনুযায়ী আপোনাৰ মাহেকীয়া ইএমআই পৰিশোধ কৰাতো বাঞ্ছনীয় ।এবাৰ আপোনাৰ ঋণ পুনৰ্গঠনৰ অনুৰোধ গ্ৰহণ কৰাৰ লগে লগে, আপুনি সংশোধিত সচী অনুসৰণ কৰিব পাৰে । অনুগ্ৰহ কৰি মনত ৰাখিব যে বৰ্তমান সূচী অনুযায়ী মাহেকীয়া ইএমআইৰ পুনঃপৰিশোধ সময়মতে কৰিব লাগিব যিহেতু এই গাঁঠনি(ফ্ৰেমৱৰ্ক)ৰ অধীনৰ সমাধানৰ আহ্বানৰ তাৰিখলৈকে একাউন্ট সমূহ ষ্টেণ্ডাৰ্ড হিচাপে শ্ৰেণীভূক্ত কৰাতো অবিৰত থাকিব ।

অনুগ্ৰহ কৰি মনত ৰাখিব, যে যদি আপোনাৰ ঋণ পুনৰ্গঠনৰ অনুৰোধ প্ৰত্যাখিত হয়, তথাপিও আপুনি বৰ্তমান বৰ্তিত থকা সূচী অনুসৰি মাহেকীয়া ইএমআই পৰিশোধ কৰাতো বাঞ্ছনীয় । যিকোনো বিলম্বতাই / ডিফল্টে অতিৰিক্ত সুদ আকৰ্ষিত কৰিব আৰু আপোনাৰ ক্ৰেডট স্কোৰত প্ৰভাব পৰিব ।

**19. কি হ'ব যদি মই এতিয়াই মোৰ ইএমআই পৰিশোধ কৰো আৰু পুনৰ্গঠনৰ বাবে পচন্দ নকৰো ? মই এই সুবিধা পিছত গ্ৰহণ কৰিব পাৰিম নেকি?**

যদি আপুনি এতিয়াই আপোনাৰ ইএমআই পৰিশোধ কৰিব পাৰে, ফুলাৰটন ইণ্ডিয়াই আপোনাক সেয়া কৰিবৰ বাবে আমন্ত্ৰণ জনাইছে । তথাপিও, মনত ৰাখিব যে এই যোজনা এক নিৰ্দ্দিষ্ট তাৰিখৰ পূৰ্বেই

মঞ্জুৰ কৰিব লগিব আৰু আপোনাৰ আবেদন পত্ৰ সেই তাৰিখৰ পূৰ্বে দাখিল কৰিব লাগিব । আবেদন পত্ৰ গ্ৰহণ কৰা হ’ব যদিহে ই ওপৰত উল্লেখিত নিয়ম সমূহ পূৰণ কৰে আৰু আপোনাৰ আবেদন পত্ৰৰ লগতে সমৰ্থনকাৰী নথিপত্ৰ সমূহে সকলো প্ৰমাণীকৰণ প্ৰক্ৰিয়া সমূহ অতিক্ৰম কৰে

*নিয়ম আৰু চৰ্ত প্ৰযোজ্য

**পূৰ্ব সমাপ্তি শুল্ক সাপেক্ষ । নিয়ম আৰু চৰ্ত প্ৰযোজ্য হ’ব ।

